জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৯১/২০২০

# নৱগ্ৰহ শ্মশানত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈলৈ শেষ শ্ৰদ্ধাঞ্জলি জনালে মুখ্যমন্ত্ৰী সোণোৱালে

## ৰাষ্ট্ৰীয় মৰ্যাদাৰে প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ শেষকৃত্য সম্পন্ন

**দিছপুৰ, ২৭ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নৱগ্ৰহ শ্মশানত প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ নশ্বৰ দেহত মাল্যাৰ্পণেৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। উল্লেখ্য যে যোৱা মঙ্গলবাৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত দেহাৱসান হোৱা প্ৰাক্তন মুখ্যমন্ত্ৰী গৰাকীৰ শেষকৃত্য আজি ৰাষ্ট্ৰীয় মৰ্যাদাৰে নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হয়। আজিৰ এই শেষকৃত্য অনুষ্ঠানত মুখ্যমন্ত্ৰী সোণোৱালৰ লগতে ৰাজ্য চৰকাৰৰ কেইবাগৰাকী জ্যেষ্ঠ মন্ত্ৰী, কংগ্ৰেছৰ নেতা তথা অন্যান্য গণ্য-মান্য ব্যক্তিসকলেও প্ৰাক্তন মুখ্যমন্ত্ৰী গৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে

**বঃভাঃ / পুঃডেঃ**
**২৭/১১/২০২০**